**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-03-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL BULLETIN***

***::::::::::::::::::::::::::::::::::::***

## Headlines

সমাগত লোকসভা নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে ব্যাপক প্ৰচাৰ অভিযান চলাইছে। কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালৰ লগতে কাজিৰঙা সমষ্টিৰ বিজেপি প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছা, দৰং-ওদালগুৰি সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী মাধৱ ৰাজবংশী, ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ সমৰ্থিত প্ৰাৰ্থী লুৰিণজ্যোতি গগৈয়ে আজি নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰীসোণোৱালে নাহৰকটীয়া নগৰ সমিতিৰ কাৰ্যালয়ৰ সমীপত অনুষ্ঠিত এখন সভাত দলীয় কাৰ্যকৰ্তাসকলৰ সৈতে মত-বিনিময় কৰে। কাজিৰঙা সমষ্টিৰ বিজেপি প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ আজি মন্ত্ৰী অজন্তা নেওগে গোলাঘাট জিলাৰ মেৰাপানীত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। বিজেপি প্ৰাৰ্থী তাছাই অহা ২৭ মাৰ্চত মনোনয়ন পত্ৰ দাখিল কৰিব বুলি মন্ত্ৰী শ্ৰীমতী নেওগে প্ৰকাশ কৰে। দৰং-ওদালগুৰি সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী মাধৱ ৰাজবংশীয়ে ওদালগুৰিত নিৰ্বাচনী প্ৰচাৰ চলায়। ডিব্ৰুগড় সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী অসম জাতীয় পৰিষদৰ লুৰিণজ্যোতি গগৈয়ে আজি তিনিচুকীয়া জিলাত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। তিনিচুকীয়া জিলা কংগ্ৰেছ কমিটী আৰু বিৰোধী ঐক্যমঞ্চৰ এখন যৌথ সভাত অংশগ্ৰহণ কৰি শ্ৰীগগৈয়ে ডিব্ৰুগড়ত জয় লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। সভাত জ্যেষ্ঠ নেতা পৰন সিং ঘাটোৱাৰ, প্ৰাক্তন বিধায়ক ৰাজু চাহু আৰু দুৰ্গা ভূমিজ উপস্থিত থাকে। ইপিনে, অহা ১৯ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে শোণিতপুৰ লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰেমলাল গঞ্জুৱে আজি মনোনয়ন পত্ৰ দাখিল কৰে। কংগ্ৰেছ প্ৰাৰ্থীগৰাকীয়ে তেজপুৰৰ জয়মতী পথাৰৰ পৰা দলীয় কৰ্মী আৰু সমৰ্থকক লৈ শোণিতপুৰৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ হাতত আনুষ্ঠানিকভাৱে মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত শ্ৰীগঞ্জুক অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা আৰু জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰকিবুল হুছেইনে সহযোগ কৰে। যোৰহাট সমষ্টিৰ বিজেপি প্ৰাৰ্থী তপন গগৈয়ে আজি টীয়ক মণ্ডলৰ উদ্যোগত জাঁজীমুখত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।আনহাতে, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গোলঘাট জিলাৰ বোকাখাতত মিচিং জনগোষ্ঠীয় সংগঠনৰ প্ৰতিনিধিৰ সৈতে লোকসভা নিৰ্বাচন সন্দৰ্ভত আলোচনাত মিলিত হয়। ধুবুৰী লোকসভা সমষ্টিৰ অগপ প্ৰাৰ্থী জাভেদ ইছলামে আজি বিলাসীপাৰাত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে।

ooooo

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে শ্ল'গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভোটদাতাৰ সজাগতা শীৰ্ষক বিষয়ৰ এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভোটৰ অধিকাৰ লাভ কৰা যুৱ ভোটদাতাসকলেহে অংশ ল'ব পাৰিব। শ্ল'গান বা

জিংগ্‌লসমূহ ৪০ ছেকেণ্ডৰ ভিতৰত হোৱাকৈ অসমীয়া ভাষাত বাণীবদ্ধ কৰি ৩১ মাৰ্চৰ ভিতৰত 96196-86659 নাইবা 97166-80969 নম্বৰলৈ হোৱাট্ছএপযোগে প্ৰেৰণ কৰিব লাগিব। তদুপৰি প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নাম সন্নিবিষ্ট কৰি পঠিয়াব লাগিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভূটান ভ্ৰমণসূচীৰে আজি পুৱা পাৰোত উপস্থিত হৈছে। পাৰো বিমান বন্দৰত তেওঁক ভূটানৰ প্ৰধানমন্ত্ৰী ছেৰিং টবগেই আড়ম্বৰপূৰ্ণভাৱে আদৰণি জনায়। থিম্ফুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভূটানৰ প্ৰধানমন্ত্ৰী ছেৰিং টবগে'ৰ উপস্থিতিত দেশ দুখনৰ মাজৰ সম্পৰ্ক অধিক শক্তিশালী কৰাৰ বাবে কেইবাখনো চুক্তি স্বাক্ষৰ কৰা হয়। পেট্ৰ'লিয়াম আৰু তেল যোগান, শক্তি, দক্ষতা, ক্ৰীড়া আৰু যুৱসকলৰ মাজত সহযোগিতা, ঔষধজাত সামগ্ৰিৰ পৰীক্ষা সম্পৰ্কীয় কেইবাখনো বুজাবুজিৰ চুক্তি দেশ দুখনৰ মাজত স্বাক্ষৰ কৰা হয়। শ্ৰী মোদীয়ে থিম্ফুত ভূটানৰ প্ৰধানমন্ত্ৰী ছেৰিং টবগেৰ সৈতে আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই দ্বিপাক্ষীক সম্পৰ্ক পৰ্যালোচনা কৰি বহুমুখী অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ বাবে প্ৰতিশ্ৰুতি দিয়ে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত লোকসভা নিৰ্বাচন বিষয়ক অনুষ্ঠান দৃষ্টিপাত **লোক নিৰ্ণয়-২০২৪** প্ৰচাৰ কৰিব। এই অনুষ্ঠানত সাংবাদিক পাৰ্থ গোস্বামী আৰু নৰেশ কলিতাই অংশগ্ৰহণ কৰিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

ooooo

ঃসমাপ্তঃ